# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 13-02-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। শ্ৰী মোদীয়ে প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণ কৌশল প্ৰদৰ্শন কৰিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰিব।

ooooo

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- **কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ**। বিশ্ব ৰেডিঅ' দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ আকাশবাণী কেন্দ্ৰসমূহৰ লগতে ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই নগাওঁ-মৰিগাঁও জিলাৰ সীমামুৰীয়া অঞ্চল বৰমণিপুৰৰ শংকৰ আজান জাতীয় বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব অনাতাঁৰ দিৱস উদযাপন কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত ভাষণ দি ৰেডিঅ'ই জনসাধাৰণৰ মাজত যুগ যুগ ধৰি বিভিন্ন তথ্যৰ লগতে মনোৰঞ্জনৰ অভাৱ পূৰণ কৰি আহিছে বুলি সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে মন্তব্য কৰে। বিশিষ্ট সমাজকৰ্মী নুমল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শ্ৰোতা সংঘৰ মুখ্য সঞ্চালকৰ লগতে বিদ্যালয়খনৰ প্ৰধান শিক্ষক লোকশিল্পী মিলেশ্বৰ ডেকা, চহা শিল্পী সুৰেশ হাজৰিকা, দুৰ্গাপ্ৰসাদ নাথকে ধৰি অঞ্চলটোৰ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই সভাত প্ৰতিভা দেৱীক মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই প্ৰৱৰ্তন কৰা লোকশিল্পী বঁটা ২০২৬ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই উপলক্ষে পুৱা এটা বৃহৎ আকাৰৰ ৰেডিঅ' লৈ নগাওঁ চহৰৰ মাজেৰে ৰাইদঙিয়া-চকলাঘাট-মাজগাওঁ হৈ এটা ব্যতিক্ৰমী শোভাযাত্ৰা উলিওৱা হয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত **ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা** শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। গোৱালপাৰা আৰু যোৰহাট জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব অনাতাঁৰ দিৱস পালন কৰা হয় বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। oooo

00000

সামাজিক মাধ্যমত প্ৰচাৰিত বিভিন্ন উৰাবাতৰিৰ প্ৰতি লক্ষ্য ৰাখি  ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক সমীৰণ বৰাই উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ মূল সময়সূচীৰ কোনো ধৰণৰ সাল-সলনি হোৱা নাই বুলি এখন জাননী যোগে জনাইছে। প্ৰশাসনিক সুবিধাৰ্থে যান-বাহন চলাচলৰ পথ সলনি কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাকেন্দ্ৰত উপস্থিত হোৱাৰ বাবে পৰ্যাপ্ত সময় লৈ যাত্ৰা আৰম্ভ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰা হৈছে।

00000

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। টিংখাঙত মন্ত্ৰী শ্ৰী বৰাই এখন সংবাদমেলযোগে ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ প্ৰকাশ কৰে। **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হয়। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**ক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আগবঢ়োৱা হৈছে। **ৰাজদ্বীপে** ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰে। অহা ১৫ ফেব্ৰুৱাৰীত কলাক্ষেত্ৰত আয়োজিত গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানত চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

00000

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত শিলা সেন্দুৰী ঘোপাৰ মৌজাৰ বৰচন্দ্ৰা গ্ৰেণ্ট  আৰু বৰ বংশৰ মৌজাৰ মানিক নগৰৰ ১০৪ টা ভূমিহীন পৰিয়ালৰ ভূমিপট্টা প্ৰদান কৰা হয়। জিলা প্ৰশাসনে কাৰ্যসূচীত গাৰো, বড়ো আৰু খিলঞ্জীয়া লোকক ভূমি পট্টা প্ৰদান কৰে। ভূমি পট্টা প্ৰদান অনুষ্ঠানত বিধায়ক দিগন্ত কলিতা, কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

00000

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা দুৰ্যোগ ব্যৱস্থাপনা  প্ৰাধিকৰণৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ মৃদুল যাদৱৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুৰ্যোগ সঁহাৰি পুজিৰ আঁচনি, পুনৰ সংস্থাপনৰ সাহায্য তথা অন্যান্য বিভাগীয় ক্ষতিপূৰণৰ প্ৰতিবেদনসমূহ বিবেচনা আৰু উপস্থাপন কৰা হয়। বৈঠকত বিভাগটোৱে লাভ কৰা ১১৪ খন প্ৰতিবেদন সম্পৰ্কে বিতংভাৱে আলোচনা কৰি ১৪ কোটি ৫২ লাখ ২৩ হাজাৰ ৪৮০ টকা পুজিৰ বাবদ আটাইকেইখন প্ৰতিবেদনত সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়। জিলাখনত সাম্ভাব্য বান পৰিস্থিতিৰ সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতিমূলক ব্যৱস্থা সম্পৰ্কেও বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্তৰ লগতে কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

00000

গোলাঘাট জিলাৰ গেলেকিত আজি সদৌ অসম গাওঁ পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতি সমূহৰ কৰ্মচাৰী সন্থাৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। গোলাঘাট জিলা সমিতিৰ আতিথ্যত বিভিন্ন জিলাৰ প্ৰতিনিধিসকলৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যনিৰ্বাহক সভাত কৰ্মচাৰী সন্থাই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে।

0000

**ঃঃ সমাপ্ত ঃঃ**